**REGIONEL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 23-06-2025 **Time :** 1205 Hrs.

***Assamese Midday Bulletin***

তেল আৰু প্ৰাকৃতিক গেছ নিগম অ' এন জি চিয়ে আন্তঃৰাষ্ট্ৰীয় কুপ নিয়ন্ত্ৰণ বিশেষজ্ঞৰ সহযোগত চলি থকা অভিযানত উল্লেখনীয় অগ্ৰগতি লাভ কৰিছে। শিৱসাগৰৰ ভটিয়াপাৰত থকা অ' এন জি চিৰ ৰীগৰ পৰা যোৱা ১২ দিনে হৈ থকা গেছ নিৰ্গমন নিয়ন্ত্ৰণৰ বাবে সকলো নিয়ম মানি চেষ্টা চলাই থকা হৈছে বুলি প্ৰতিষ্ঠানটোৰ প্ৰৱন্ধকে জানিবলৈ দিছে। অ' এন জি চিৰ সংকট ব্যৱস্থাপনাৰ দল আৰু বিশেষজ্ঞৰ দলটোৱে প্ৰায় ১০ ট্ৰেইলাৰ ভৰ্তি ৰীগৰ সামগ্ৰী ইতিমধ্যে সফলতাৰে স্থানান্তৰিত কৰিছে। ঘটনাস্থলীৰ পৰা ৰীগৰ অধিকাংশ সামগ্ৰী আঁতৰাই কুপটো কেপিং কৰাৰ বাবে চলাবলগীয়া অভিযানৰ বাবে ইতিমধ্যে সাজু কৰা হৈছে। ইয়াৰ বাবে প্ৰয়োজনীয় গধুৰ সঁজুলিসমূহ বৰ্তমান সেই স্থানলৈ নি থকা হৈছে। এই স্থানৰ লগতে ইয়াৰ আশে-পাশে থকা অঞ্চলৰ বায়ুৰ গুণাগুণ অবিৰতভাৱে নিৰীক্ষণ কৰি থকা হৈছে আৰু কুপটোৰ পৰা ৩০ মিটাৰৰ বাহিৰত হাইড্ৰোকাৰ্বনৰ উপস্থিতি ধৰা নপৰাটো উৎসাহজনক হিচাপে বিবেচিত হৈছে। এই মূল্যায়নৰ আধাৰত ঘটনাস্থলীৰ পৰা ৫০০ মিটাৰ ব্যাসাৰ্ধৰ বাহিৰত বাস কৰা লোকসকলক ঘৰলৈ উভতি আহি ৰন্ধা-বঢ়া আৰু বিদ্যুতৰ ব্যৱহাৰকে ধৰি স্বাভাৱিক কাম-কাজ পুনৰ আৰম্ভ কৰাটো নিৰাপদ বুলি পৰামৰ্শ দিয়া হৈছে।

০০০০০

বিশ্বৰ অন্যতম শক্তিপীঠ কামাখ্যা মন্দিৰত কালিৰে পৰা পাঁচদিনীয়া কাৰ্যসূচীৰে অম্বুবাচী মহাযোগ অনুষ্ঠিত হৈছে। কালি প্ৰথম দিনটোতে তীব্ৰ গৰমকো নেওচি দেশী-বিদেশী লক্ষাধিক ভক্তৰ ভিৰেৰে কামাখ্যা দেৱালয়সহ সমগ্ৰ নীলাচল পাহাৰ মুখৰিত হৈ পৰা পৰিলক্ষিত হৈছে। চুবুৰীয়া দেশ নেপাল, ভূটান, বাংলাদেশৰ উপৰি জাৰ্মানীকে ধৰি ইউৰোপৰ কেইবাখনো দেশৰ পৰা বিদেশী ভক্ত অম্বুবাচী মহাযোগ উপলক্ষে আহি কামাখ্যা মন্দিৰত উপস্থিত হৈছেহি। বাহিৰৰ পৰা অহা ভক্তৰ একাংশই মন্দিৰ চৌহদত নানা বেশ-ভূষা পৰিধান কৰি দেৱীক আৰাধনা কৰাৰ লগতে বিভিন্ন যোগ প্ৰদৰ্শন কৰি আন আন ভক্তক আকৰ্ষণ কৰা পৰিলক্ষিত হৈছে। ইপিনে অম্বুবাচী মহাযোগ সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ বাবে কামৰূপ মহানগৰ জিলা প্ৰশাসন, আৰক্ষী আৰু কামাখ্যা মন্দিৰ কৰ্তৃপক্ষই সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। গুৱাহাটী মহানগৰ আৰক্ষী আয়ুক্ত আৰু কামৰূপ মহানগৰ জিলাৰ উপায়ুক্তকে ধৰি আৰক্ষী-প্ৰশাসনৰ শীৰ্ষ বিষয়াসকলে মন্দিৰৰ চৌহদত বাহৰ পাতি পৰিস্থিতি তদাৰক কৰি আছে। বাহিৰৰ পৰা অহা ভক্তসকলৰ বাবে পাণ্ডু নদী বন্দৰ আৰু কামাখ্যা ৰে'ল ষ্টেচনত দুটা শিবিৰ স্থাপন কৰা হৈছে। কালি সন্ধিয়া পৰ্যটন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে পাণ্ডু নদী বন্দৰ ঘাটত থকা শিবিৰটো মুকলি কৰে। এই উপলক্ষে অনুষ্ঠিত অনুষ্ঠানত গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ বিজুলী কলিতা মেধি, গুৱাহাটী পৌৰনিগমৰ মেয়ৰ মৃগেন শৰণীয়াকে ধৰি ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগৰ উচ্চ পদস্থ বিষয়াসকলৰ লগতে কামাখ্যা দেৱালয়ৰ বৰ দলৈ আৰু সৰু দলৈ উপস্থিত থাকে। ভক্তসকলক সহায়ৰ বাবে পৰ্যটন বিভাগে প্ৰথমবাৰৰ বাবে প্ৰণাম নামেৰে পাঁচটা আদৰণি কক্ষ নামনি কামাখ্যা, আদাবাৰী, কামাখ্যা ৰে'ল ষ্টেচন, পাণ্ডু নদী বন্দৰ আৰু ভূতনাথত স্থাপন কৰিছে। ইপিনে নামনিৰ পৰা নীলাচল পাহাৰৰ ওপৰলৈ খোজকাঢ়ি উঠি যোৱা ভক্তৰ বাবে খোৱাপানীৰ ব্যৱস্থা কৰা হৈছে। আইন শৃংখলা তথা তীৰ্থযাত্ৰী, ভক্তৰ সুৰক্ষাৰ বাবে মন্দিৰ চৌহদত ১২০ গৰাকী স্থায়ী সুৰক্ষা কৰ্মী, ৪০০ গৰাকী স্কাউট গাইড ১৫০ গৰাকী স্বেচ্ছাসেৱক, ২৫০ গৰাকী অস্থায়ী সুৰক্ষা কৰ্মী নিয়োগ কৰা হৈছে।

দেৱালয়ৰ চৌপাশে ৫০০টা চিচিটিভি কেমেৰা স্থাপন কৰা হৈছে। আৰক্ষী প্ৰশাসনে জাৰি কৰা নিৰ্দেশনা অনুসৰি সন্ধিয়া ৬ বজাৰ পৰা ভক্তসকলে নীলাচল পাহাৰত প্ৰৱেশ কৰিব নোৱাৰিব।

২৬ জুনৰ পুৱা নিবৃত্তিৰ লগে লগে দেৱীস্নান, নিত্য পূজা সমাপনৰ পাছত মন্দিৰৰ দুৱাৰ ভক্তৰ বাবে পুনৰ মুকলি কৰা হ'ব।

০০০০০০

যোৱানিশাৰে পৰা হোৱা নেৰানেপেৰা বৰষুণৰ ফলত শিৱসাগৰ নগৰ বানৰ কবলত পৰিছে। আমাৰ শিৱসাগৰৰ সংবাদদাতাই জনোৱা মতে নগৰখনৰ দৌলমুখ, হাস্পতাল ৰোড, বাবুপট্টি, লখিমীনগৰ, ব'ৰ্ডিং ৰোড আদি অঞ্চল পানীত বুৰ যোৱাৰ লগতে ঐতিহাসিক ৰংঘৰৰ চাৰিওফালে পানী জমা হৈছে। নগৰখনৰ নলা-নৰ্দমাসমূহ সময়মতে পৰিষ্কাৰ নকৰাৰ বাবেই এই ঐতিহাসিক ঠাইডোখৰ কৃত্ৰিম বানৰ কবলত পৰিছে বুলি আমাৰ সংবাদদাতাই জনাইছে।

০০০০০০০০০

আন্তৰ্জাতিক অলিম্পিক দিৱস উপলক্ষে তেজপুৰৰ প'ল' ফিল্ডত আজি বৰ্ণাঢ্য কাৰ্যসূচীৰ আয়োজন কৰা হয়। কেন্দ্ৰীয় জলপথ আৰু জাহাজ পৰিবহণ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে অলিম্পিক শিখা প্ৰজ্বলন কৰে। এই কাৰ্যসূচীত ৰাজ্যৰ ক্ৰীড়া আৰু যুৱ কল্যাণ মন্ত্ৰী নন্দিতা গাৰ্লোছা, দৌৰবিদ হিমা দাস, লোকসভাৰ সাংসদ ৰঞ্জিত দত্ত, অসম অলিম্পিক সন্থাৰ সাধাৰণ সম্পাদক লক্ষ্য কোঁৱৰ তথা সভাপতি লৰেঞ্চ ইছলাৰী, স্থানীয় বিধায়ক পৃথিৰাজ ৰাভা উপস্থিত থাকে। কাৰ্যসূচীত জিলাখনৰ ভালেসংখ্যক ক্ৰীড়াপ্ৰেমী, খেলুৱৈ, শিক্ষাৰ্থী তথা স্থানীয় লোকো উপস্থিত থাকে।

০০০০০০০০০

হেডিংলি টেষ্টৰ আজি চতুৰ্থ দিনা ভাৰতে কালি তৃতীয় দিনা সংগ্ৰহ কৰা ৯০ ৰানৰ পৰা খেল পুনৰ আৰম্ভ কৰিব। কালি দিনান্তত কে এল ৰাহুলে কে এল ৰাহুলে ৪৭ ৰান আৰু অধিনায়ক শুভমন গীলে ৬ ৰান কৰি বেট ধৰি আছিল। ইয়াৰ পূৰ্বে ইংলেণ্ডে ভাৰতৰ প্ৰথম ইনিংছৰ ৪৭১ ৰানৰ প্ৰত্যুত্তৰত আটাইকেইটা উইকেট হেৰুৱাই ৪৬৫ ৰান সংগ্ৰহ কৰে। ফলত ভাৰতে খেলখনত প্ৰথম ইনিংছত মাত্ৰ ৬ ৰানৰ অগ্ৰগতি লাভ কৰে। বৰষুণৰ বাবে কালিৰ খেল কিছুসময়ৰ পূৰ্বে সামৰিবলগীয়া হৈছিল।

০০০০০০

সমাপ্ত